কোৰআনখনেই আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ।

ছাআদ বিন হিশ্বাম বিন আমিৰ যেতিয়া আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ ওচৰলৈ গৈছিল, তেতিয়া তেওঁ তেখেতক সুধিছিলঃ হে মুমিনসকলৰ মাতৃ! আপুনি মোক ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামৰ চৰিত্ৰ সম্পৰ্কে কওকচোন। এই কথা শুনি তেখেতে ক'লেঃ তুমি কোৰআন
পঢ়া নাইনে? মই ক'লোঁ, হয় নিশ্চয় পঢ়োঁ। তেখেতে ক'লেঃ কোৰআনখনেই আছিল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ। [ছহীহ] [(মুছলিমে বৰ্ণনা কৰা এটা দীঘল হাদীছৰ কিয়দাংশ)]

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক যেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ চৰিত্ৰ সম্পৰ্কে সোধা হৈছিল, তেতিয়া তেখেতে গভীৰ অৰ্থপূৰ্ণ শব্দৰে উত্তৰ দিছিল আৰু প্ৰশ্নকৰ্তাক কোৰআনৰ কথা কৈছিল, যিখন কিতাব সকলো প্ৰকাৰ পূৰ্ণাংগ গুণেৰে গুণাম্বিত। তেখেতে উত্তৰ প্ৰদান কৰি কৈছিল যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল কোৰআনৰ চৰিত্ৰৰে চৰিত্ৰৱান। অৰ্থাৎ কোৰআনত যি যি নিৰ্দেশ আহিছে সেইটো তেখেতে পালন কৰিছিল, আৰু কোৰআনত যিটোৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে, সেইটোক তেখেতে পৰিত্যাগ কৰিছিল। এইদৰে তেখেতৰ চৰিত্ৰৰ সাৰাংশ হৈছে এই যে, তেখেতে কোৰআনক আমলত পৰিণত কৰিছিল, কোৰআনে বান্ধি দিয়া সীমা কেতিয়াও উলংঘা কৰা নাছিল, কোৰআনত বৰ্ণিত শিষ্টাচাৰসমূহ বাস্তৱায়ন কৰিছিল, লগতে কোৰআনত বৰ্ণিত উদাহৰণসমূহ আৰু ঘটনাৱলীৰ পৰা শিক্ষা লৈছিল।

http://www.sunnah.global/hadeeth/as/show/8265